**2014**

# ASSAMESE

( Major )

Paper : 5.2

( পুৰণি অসমীয়া কথাসাহিত্য )

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। উত্তৰ লিখা : ১×৭=৭

(ক) 'কথাগীতা'ৰ প্ৰথম অধ্যায়ৰ শেষত লেখকে কি নামেৰে আত্ম-পৰিচয় দাঙি ধৰিছে?

(খ) কৃষ্ণই ক্ষত্ৰিয়ৰ বাবে 'অনাবৃত স্বৰ্গদ্বাৰ' বুলি কিহৰ বিষয়ে কৈছে?

(গ) ৰুক্মিণী কোন ৰাজ্যৰ ৰাজনন্দিনী আছিল?

(ঘ) মূল 'ভক্তিৰত্নাকৰ' গ্ৰন্থ কি ভাষাত ৰচিত?

(ঙ) 'তুংখুঙীয়া বুৰঞ্জী'ৰ ৰচক কোন?

(চ) ত্ৰিপুৰাৰ মদন পূজাত বিশেষ গুৰুত্ব থকা নদীখনৰ নাম কি?

(ছ) ৰঘুনাথ মহন্তৰ 'কথা-ৰামায়ণ'ৰ কাহিনীভাগ কোনে কৈ থকা বুলি দেখুওৱা হৈছে?

২। চমু উত্তৰ লিখা : ২×৪=৮

(ক) ব্ৰাউন চাহাবৰ পত্ৰখন ক'ৰ পৰা আৰু কি চনৰ, কি তাৰিখে লিখা হৈছিল?

(খ) "যদি তোমাৰ বলৱন্ত দৈৱ মত্তকুঞ্জৰ, তথাপি মোৰ পৌৰুষ অঙ্কুশে পৰিৱৰ্ত্তে কৰিবো।" কথাষাৰ কোনে, কাক কৈছে?

(গ) "তাৰ পৰাহে পাগ্‌জামাৰে বঁটা হ'ল।" কোনে, কেতিয়াৰ পৰা পাগ্‌জামাৰ বঁটা প্ৰচলন কৰিছিল?

(ঘ) ভট্টদেৱৰ পৰৱৰ্তী কালত বিকশিত অসমীয়া গদ্যৰ যি কোনো দুটা ধাৰাৰ উল্লেখ কৰি প্ৰত্যেকৰ একোটাকৈ উদাহৰণ দিয়া।

৩। যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখা : ৫×৩=১৫

(ক) ৰুক্মিণীয়ে বেদনিধিৰ জৰিয়তে কৃষ্ণলৈ পঠোৱা পত্ৰখনত কি কি কথা লিখিছিল?

(খ) কৃষ্ণই অৰ্জুনক কোৱা জ্ঞান বা কৰ্মযোগৰ কথাখিনি চমুকৈ লিখা।

(গ) ব্ৰাউন চাহাবৰ পত্ৰত অসমলৈ ঘূৰি অহা-নহা সম্পৰ্কত কি কি কথা লিখা হৈছে? কথাখিনিৰ জৰিয়তে পত্ৰলেখকৰ অসমৰ বিষয়ে কি মনোভাব ব্যক্ত হৈছে, লিখা।

(ঘ) গোপালচৰণ দ্বিজৰ চমু পৰিচয় দিয়া।

(ঙ) 'ৰামৰ বন-গমন'ত পিতৃয়ে দিয়া বনবাস মানি লোৱা বা নোলোৱা সম্পৰ্কত ৰাম আৰু কৌশল্যাৰ মাজত কি কি যুক্তিৰ অৱতাৰণা হৈছে, লিখা।





৪। যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখা : ১০×৩=৩০

(ক) 'কথাগীতা'ৰ প্ৰথম আৰু দ্বিতীয় অধ্যায়ত অৰ্জুনে নিজৰ শোক আৰু দ্বিধাগ্ৰস্ত মনৰ অৱস্থা কৃষ্ণৰ আগত কেনেদৰে প্ৰকাশ কৰিছে, বৰ্ণনা কৰা।

(খ) "ড০ বিৰিঞ্চি কুমাৰ বৰুৱাই শংকৰদেৱক আৰু ড০ সত্যেন্দ্ৰনাথ শৰ্মাই ভট্টদেৱক 'অসমীয়া গদ্যসাহিত্যৰ জন্মদাতা' বুলি উল্লেখ কৰিছে।" দুয়োটা অভিমতৰ সপক্ষে-বিপক্ষে থকা যুক্তিসমূহ চমুকৈ আলোচনা কৰা।

(গ) 'কথা-ৰামায়ণ'ৰ তোমাৰ পাঠ্যাংশৰ মাজেদি চৰিত্ৰ-চিত্ৰণ তথা নাটকীয় পৰিস্থিতি সৃষ্টিত লেখকৰ দক্ষতা কেনেদৰে প্ৰকাশ পাইছে, লিখা।

(ঘ) তোমাৰ পাঠ্যাংশৰ আলমত বুৰঞ্জীৰ গদ্যৰ বিশেষত্বসমূহ উল্লেখ কৰি এটি চমু আলোচনা আগবঢ়োৱা।

(ঙ) গোপালচৰণ দ্বিজৰ 'ভক্তিৰত্নাকৰ-কথা' গ্ৰন্থৰ প্ৰথম মাহাত্ম্যৰ আধাৰত গুৰুৰ বিভিন্ন প্ৰকাৰ, লক্ষণ আৰু গুৰুসেৱাৰ ফল বা মাহাত্ম্যৰ বিষয়ে লিখা।

★★★